# External Affairs Minister meets Foreign Minister of Uzbekistan

February 25, 2021

# বিদেশ বিষয়ক মন্ত্ৰীয়ে উজবেকিস্থানৰ বিদেশ মন্ত্ৰীক সাক্ষাৎ কৰে

ফেব্ৰুৱাৰী 25, 2021

উজবেকিস্থানৰ বিদেশ মন্ত্ৰী, মাননীয় মিঃ অব্দুলাজিজ কামিল’ভে 24-25 ফেব্ৰুৱাৰী 2021 তাৰিখে নতুন দিল্লী ভ্ৰমণ কৰে৷ বিদেশ মন্ত্ৰী ডঃ এছ জয়শংকৰ আৰু বিদেশ মন্ত্ৰী কামিল’ভৰ মাজৰ বৈঠকে এক সুযোগ প্ৰদান কৰে পাৰস্পৰিক ৰুচিৰ বিভিন্ন দ্বিপক্ষীয়, আঞ্চলিক আৰু বিশ্বব্যাপী বিষয়ৰ ওপৰত আলোচনা কৰাৰ বাবে৷

মন্ত্ৰীকেইজনে ভাৰত আৰু উজবেকিস্থানৰ মাজৰ দ্বিপক্ষীয় সহযোগিতাৰ বিভিন্ন দিশ নিৰক্ষণ কৰে৷ তেওঁলোকে 11 ডিচেম্বৰ 2020 তাৰিখে অনুষ্ঠিত হোৱা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু উজবেকিস্থানৰ ৰাষ্ট্ৰপতি মাননীয় মিঃ চাভকট মিৰ্জিয়োয়েভৰ মাজৰ ভাৰত-উজবেকিস্থান ভাৰ্চ্যুৱেল বৈঠকৰ ফলাফলৰ প্ৰগতি ধনাত্মকভাৱে নিৰীক্ষণ কৰে৷ দুয়োখন দেশে আঞ্চলিক আৰু বহুপক্ষীয় মঞ্চত সক্ৰিয়ভাৱে সহযোগ কৰি আহিছে, যাৰ ভিতৰত আছে ৰাষ্ট্ৰ সংঘ, চাংঘাই সহযোগিতা সংগঠন আৰু ভাৰত-মধ্য এচিয়া আলোচনা৷

বিদেশ মন্ত্ৰী কামিল'ভে নিমন্ত্ৰণ আগবঢ়াই আঞ্চলিক সংযোগৰ ওপৰত এক আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ বাবে যি উজবেকিস্থানে আয়োজন কৰিছে টাস্কেন্টত 15-16 জুলাই 2021 তাৰিখে৷

দুয়োজন মন্ত্ৰীয়ে আফগানিস্তানত উদীয়মান পৰিস্থিতিৰ বিষয়েও আলোচনা কৰে আৰু এক স্থিৰ আৰু শান্তিপূৰ্ণ আফগানিস্তানৰ গুৰুত্ব উল্লেখ কৰে আঞ্চলিক শান্তি, স্থিৰতা আৰু সুৰক্ষাৰ বাবে৷

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 25, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.